# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-06-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

## HEADLINES

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নামৰূপ তাপ বিদ্যুৎ প্ৰকল্পৰ সমীপত ২৫ মেগাৱাট ক্ষমতাসম্পন্ন নতুন সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰকল্পটো ১০৮ একৰ মাটি সামৰি স্থাপন কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰকল্পটোৰ বাবে ১১৬ কোটি টকা ৰাজ্য চৰকাৰে ব্যয় কৰিব। প্ৰকল্পটো নিৰ্মাণ কৰোতে ৰাজ্য চৰকাৰৰ লগতে অইল ইণ্ডিয়া লিমিটেডেও সমপৰিমাণৰ ধন ব্যয় কৰিব বুলি তেওঁ কয়। ড০ শৰ্মাই কয় যে, ৰাজ্যত বৰ্তমান সৌৰশক্তি উৎপাদনৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। শীঘ্ৰেই কাৰ্বি আংলঙত এহেজাৰ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ২০৩০ চনৰ ভিতৰত ৰাজ্যত ৩ হাজাৰ মেগাৱাট পৰিমাণৰ সৌৰশক্তিৰ উৎপাদন সম্ভৱ হৈ উঠিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত ড০ শৰ্মাই প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিখনৰ বিষয়ে ইতিবাচক দিশসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণৰ উদ্দেশ্যে ইতিমধ্যে কাম-কাজ আৰম্ভ কৰিছে। তেওঁ এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ বিষয়ে উনুকিয়াই। তেওঁ কয় যে এই আঁচনিৰ অধীনত যুৱক-যুৱতীসককলক ১ লাখ টকাৰ ঋণ তথা ১ লাখ টকাৰ ৰাজসাহাৰ্য প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰে। ড০ শৰ্মাই কয় যে, এইবাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰা যুৱতীসকলক ১০ হাজাৰ, চাৰে ১২ হাজাৰ আৰু ২৫ হাজাৰ টকাকৈ বৃত্তি প্ৰদান কৰা হ'ব। এই ধন তেওঁলোকৰ বেংক একাউণ্টত মাহিলী কিস্তি হিচাপে প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ পূৰ্বে দিয়া সকলো প্ৰতিশ্ৰুতি পালন কৰা হ'ব বুলি তেওঁ জনসাধাৰণক আশ্বাস দিয়ে।

০০০০০০

আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে মোবাইল ফোন হেৰালে বা চুৰি হ'লে নিজাকৈ অথবা আৰক্ষী থানাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ দূৰ সংযোগ বিভাগৰ CEIR প'ৰ্টেলত হেৰুওৱা মোবাইলটোৰ IMEI নম্বৰ তথা মোবাইল নম্বৰ পঞ্জীয়ন কৰিবলৈ জনসাধাৰণলৈ আহ্বান জনাইছে। তেওঁ লগতে পুৰণি মোবাইল ক্ৰয় কৰাৰ বাবে আগ্ৰহী লোকসকলক মোবাইটোৰ IMEI নম্বৰ সংশ্লিষ্ট প'ৰ্টেলত পৰীক্ষা কৰি ল'বলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, মহানগৰ আৰক্ষীয়ে বিভিন্ন সময়ত উদ্ধাৰ কৰা ৬৫০টা চুৰি মোবাইল ফোন আৰু ১৬টা লেপটপ আজি পাণবজাৰত থকা গুৱাহাটী আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত জনসাধাৰণৰ সুবিধাৰ্থে প্ৰদৰ্শন কৰে। আনহাতে, গুৱাহাটীকে ধৰি নগৰ অঞ্চলত সংঘটিত হোৱা মোবাইল ফোন তথা ডিঙিৰ অলংকাৰ কাঢ়ি নিয়া আদি অপৰাধৰ বিৰুদ্ধে বিশেষ অভিযান চলাবলৈ আৰক্ষীক নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ সদৰী কৰে।

০০০০০০

**প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা** আঁচনিখনৰ বিষয়ে কৃষক ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে আজি মাজুলীৰ কমলাবাৰী কৃষি চক্ৰৰ অন্তৰ্গত  ২ নম্বৰ কঢ়াল গাঁও আৰু জেংৰাই কৃষিচক্ৰৰ অন্তৰ্গত ৰঙাচাহী, বৰবাম গাঁৱত সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচী কেইটাত জিলা কৃষি বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ জলসম্পদ আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি নগাঁও জিলাৰ ৰহাৰ বগলাজান, বাহাকাবাৰী আৰু নিজ নাৰিকলি গাঁৱত কপিলি নৈ সহনীয়া পৰিদৰ্শন কৰে। এই স্থানকেইটা পৰিদৰ্শন কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। তদুপৰি তেওঁ স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি জনসাধাৰণে সন্মুখীন হোৱা সমস্যাসমূহ সমাধান কৰাৰ আশ্বাস প্ৰদান কৰে। এই পৰিদৰ্শন কালত বিধায়ক জিতু গোস্বামী, শশীকান্ত দাসকে ধৰি লোক নিৰ্মাণ আৰু জলসম্পদ বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

তিনিচুকীয়া জিলাৰ অসামৰিক প্ৰতিৰক্ষা বিভাগে আজি জিলাখনৰ গুইজান উচ্চ মাধ্যমিক বিদ্যালয়ত **দুৰ্যোগ ব্যৱস্থাপনা আৰু উদ্ধাৰ** শীৰ্ষক প্ৰশিক্ষণ প্ৰদান কৰে। এই প্ৰশিক্ষণত বানপানীৰ সৈতে জড়িত বিভিন্ন দুৰ্যোগ কিদৰে প্ৰতিৰোধ কৰিব পাৰি সেই সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০০

ৰাজ্যৰ বিশেষ টাস্ক ফ'ৰ্চে আজি ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সোণাপুৰ টোলগে'টত এখন বাহন জব্দ কৰে। গোপন সূত্ৰৰ পম খেদি বাহিনীটোৱে অভিযান চলাই বাহনখনৰ পৰা ড্ৰোণকে ধৰি অন্যান্য কিছু অবৈধ সা-সৰঞ্জাম উদ্ধাৰ কৰে। উল্লেখযোগ্য যে মণিপুৰৰ এটা নিষিদ্ধ সংগঠনে অপৰাধমূলক কাম-কাজ সংঘটিত কৰাৰ উদ্দেশ্যে সা-সৰঞ্জাম ক্ৰয় কৰাৰ প্ৰচেষ্টা চলোৱা বুলি আৰক্ষীয়ে নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা তথ্য লাভ কৰিছিল। গুৱাহাটীৰ ছয়মাইল অঞ্চলত আৰক্ষীয়ে বাহনখন চিহ্নিত কৰি সোণাপুৰ টোলগেট'ত বাহনখন জব্দ কৰে। ইতিমধ্যে ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ২৭ বছৰীয়া  এজন মণিপুৰৰ যুৱকক আটক কৰে। জব্দ হোৱা বাহনখনত যুৱকগৰাকীৰ সৈতে আন দুগৰাকী কিশোৰ থকাৰ বিষয়ে আৰক্ষীয়ে সদৰী কৰে। এই সন্দৰ্ভত অধিক অনুসন্ধান অব্যাহত আছে।

০০০০০০

আজি বিশ্ব ৰক্তদাতা দিৱস। দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো এই দিৱস পালন কৰা হৈছে। এই উপলক্ষে প্ৰদান কৰা শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, ৰক্তদান হৈছে মানুহৰ জীৱনৰ অন্যতম শ্ৰেষ্ঠ মহাত দান। এই দানে আন এজনৰ জীৱন ৰক্ষা কৰিব পাৰে। সেয়েহে তেওঁ ৰক্তদানৰ ইতিবাচক দিশসমূহ প্ৰচাৰ কৰি সমাজলৈ শুভবাৰ্তা প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। ইফালে বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই আজি অসম ৰাজ্যিক ৰক্ত সংৰচন পৰিষদে আয়োজন কৰা ৰাজ্যিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ৰ ৰক্ত কেন্দ্ৰই ব্যৱস্থাপনা কৰা স্বেচ্ছামূলক ভ্ৰাম্যমাণ ৰক্তদান শিবিৰৰ শুভাৰম্ভ কৰে। এই শিবিৰত স্বেচ্ছামূলকভাৱে ৰক্তদান কৰি সহানুভৱতাৰ নিদৰ্শন দেখুওৱা শ্ৰেষ্ঠ ৰক্তদাতাসকল, প্ৰতিৰক্ষা বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী বিষয়া-জোৱানসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

বিশ্ব ৰক্তদাতা দিৱসৰ লগত সংগতি মৰিগাঁও অসামৰিক চিকিৎসালয়ত আজি ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ৰক্তদাতাসকলক মৰিগাঁও জিলা আয়ুক্তই শুভেচ্ছা জ্ঞাপন কৰে।

আনহাতে বিশ্ব ৰক্তদাতা দিৱস বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পটালতো পালন কৰা হয়। চিকিৎসালয়খনৰ ব্লাড বেংকৰ উদ্যোগত ৰক্তদানৰ বিশেষ কাৰ্যসূচী সম্পন্ন হয়। চিকিৎসালয়খনত আজি ৫০ গৰাকী লোকৰ ৰক্ত গ্ৰহণ কৰা হয়। লগতে ৰক্তদান কৰা ব্যক্তিসকলক হাস্পটাল কৰ্তৃপক্ষই আদৰণিও জনায়।

oooooo

ঃসমাপ্তঃ